# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

...ছৰ। ৬ সংখ্যা, ২৪ শাওণ, শুকুৰবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 6 । DIBRUGARH, FRIDAY, AUGUST 9, 2024 । পৃষ্ঠা ১৬ (Pages 16)




## অলিম্পিব...
## ...হকীৰ জয়...

■ পেৰিছৰপৰা সুবোধ...

৮ আগষ্ট ঃ য়েভছ দ্য ... পৰিচিত ষ্টেডিয়ামখন আজি... উত্থানৰ জীৱন্ত সাক্ষী হৈ ৰ'... ভাৰতীয় হকী দলে ৰোমাঞ্চ... স্পেইনক ২-১ গ'লত পৰ... অলিম্পিকৰ ব্ৰঞ্জৰ পদকত...

তিনি বছৰত ১...

# কানৈ মহাবিদ্যালয়ত মহাকাশ দিৱস পালন

নিজা বাতৰি দিওঁতা

**ডিব্ৰুগড়, ৮ আগষ্ট ঃ** 'কানৈ মহাবিদ্যালয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ লগত ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰি অসমত ব্যতিক্ৰমী চিন্তাৰ বাট মুকলি কৰিলে।' ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকাই ডি এইচ এছ কানৈ মহাবিদ্যালয়ত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ উদ্যোগত অনুষ্ঠিত 'ৰাষ্ট্ৰীয় মহাকাশ দিৱস-২০২৪'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আজি এইদৰে কয়। কানৈ মহাবিদ্যালয়ে বহুত ভাল কাম কৰি থকা বুলি উল্লেখ কৰি তেওঁ ব্যতিক্ৰমী চিন্তাৰে প্ৰথমবাৰৰ বাবে এনে অনুষ্ঠান আয়োজন কৰাৰ বাবে কানৈ মহাবিদ্যালয়ক ভূয়সী প্ৰশংসা কৰে। মহাবিদ্যালয়খনৰ এনে চিন্তাই মহাকাশ গৱেষণা, অধ্যয়ন কৰিব খোজা ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগোৱাত সহায় কৰিব বুলি উল্লেখ কৰি তেওঁ কয়, 'শিক্ষাৰ্থীসকলৰ মাজত গৱেষণা, অধ্যয়ন আদি চৰ্চাৰ বিকাশত এনে অনুষ্ঠানে সহায় কৰিব।' ছাত্ৰ-ছাত্ৰীসকলৰ মহাকাশ বিজ্ঞান অধ্যয়নৰ পৰিসৰ অসীম। কেৱল সাধাৰণ বিজ্ঞানৰ বিষয়সমূহৰ বাহিৰেও আনুষংগিক বিষয়বোৰৰপৰাও ছাত্ৰ-ছাত্ৰীসকলে মহাকাশ বিজ্ঞানত কেৰিয়াৰ গঢ়িব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সদায় বিকল্প পৰিকল্পনা লৈ আগবাঢ়িব লাগে, যাতে তেওঁলোক কেতিয়াও থমকি ৰ'ব লগা নহয়।' অধ্যাপিকা ডঃ তৃষ্ণা দুৱৰা কলিতাই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। আদৰণী ভাষণত অধ্যক্ষ ডঃ শইকীয়াই কয়, 'নিষ্ঠাৰে পঢ়া-শুনা, অধ্যয়ন কৰি আগুৱাই গ'লে কোনে জানে, এতিয়া মোৰ সন্মুখত বহি থকা শিক্ষাৰ্থীসকলৰ মাজৰপৰাই এদিন দুঃসাহসী মহাকাশ অভিযানৰ বিজ্ঞানী, গৱেষক সৃষ্টি হৈ ভৱিষ্যতে যুগান্তকাৰী মহাকাশ অভিযানৰ এক চালিকা শক্তি হ'ব পাৰে।' ইছৰো, মেঘালয়ত নৰ্থ-ইষ্টাৰ্ন স্পেচ এপ্লিকেশনছ (নেচাক) আৰু ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত 'ৰাষ্ট্ৰীয় মহাকাশ দিৱস-২০২৪'ত পি পি ইজি, নেচাকৰ মুৰব্বী ডঃ বিজয় কৃষ্ণ সন্দিকৈয়ে 'ৰাষ্ট্ৰীয় মহাকাশ দিৱস-২০২৪'ৰ আঁৰৰ বিষয় অৱগত কৰাৰ উপৰি অনুষ্ঠানত মহাকাশ প্ৰযুক্তি আৰু সমাজত ইয়াৰ প্ৰয়োগৰ বিষয়ে কয়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক পি কে ভূঞাই মহাকাশ বিজ্ঞানৰ বহুখিনি তত্ত্বগধুৰ বিষয় অৱগত কৰে। ৰাষ্ট্ৰীয় মহাকাশ দিৱস-২০২৪ৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে অধ্যাপক পৰমানন্দ মহন্তই। অধ্যাপক গোপাল হাজৰিকাই স্পেচ অন হুইল শীৰ্ষক তথ্য প্ৰযুক্তি সম্পন্ন এখন অত্যাধুনিক বাছৰ দ্বাৰ মুকলি কৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি আবেলি ৩ বজাৰপৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে নেচাকৰ ফ্ৰান্সিছ দত্ত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডঃ জিতুৰঞ্জন চেতিয়াই।

উত্তোলন কৰে ১৩ গৰাকী বিশিষ্ট ব্যক্তিয়ে। বন্তি প্ৰজ্বলন কৰে ... সমাজ সেৱক ৰাতুল পাটোৱাৰী, নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক... মুখ্য উপদেষ্টা অমূল্য প্ৰসাদ দাসে। গছৰপুলি ৰোপণ কৰে স... ৰাজেন বৈশ্য, দ্বীপেন মেনা আৰু সাংবাদিক অৰূপ ৰঞ্জন বৰ্মনে... সভা উদ্বোধন কৰে পৰেশ চন্দ্ৰ বৰ্মণে। দিনৰ ১১ বজাত নল... জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ডঃ প্ৰমোদ হালৈৰ সভাপতিত্ব... মুকলি সভা উদ্বোধন কৰে নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেক... উদ্দেশ্য ব্যাখ্যা কৰে নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন... সম্পাদক প্ৰিয়নাথ বৰ্মনে। আৰম্ভণী গীত পৰিৱেশন কৰে বেল... আঞ্চলিক জ্যোষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি লক্ষ্মী পাটোৱাৰী... সভাত ককয়া ঢকুৱা বান্ধা নিৱাসী, চামতা উচ্চতৰ মাধ্যমিক ... অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তৰুণ চন্দ্ৰ বৰ্মনক বিশেষভাৱে সম্বৰ্দ্ধনা জ... সভাত জ্যেষ্ঠ নাগৰিক সন্মিলন, অসমৰ কাৰ্যনিৰ্বাহক সদস্য দি... কেশৱ চন্দ্ৰ ডেকা, ফটিক চন্দ্ৰ শৰ্মা আদিকে ধৰি নলবাৰী জি... প্ৰান্তৰ দুই শতাধিক জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে।

# অভিনেত্ৰী ৰীণা ব...

জিলাৰ বাতৰি দিওঁতা

**নলবাৰী, ৮ আগষ্ট ঃ** অসমৰ ভ্ৰাম্যমাণ তথা চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেত্ৰী ৰীণা বৰাক ২০২৪ বৰ্ষৰ 'ভবেন বৰুৱা বঁটা' প্ৰদান কৰা হ'ব। আজি বিয়লি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদ মেলত উপস্থিত থাকি পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি নিৰোদ দাস, সাধাৰণ সম্পাদক যোগেশ কলিতা, নাট পৰিচালনা সমিতিৰ সভাপতি তথা বিশিষ্ট চকু চিকিৎসক তথা সাংস্কৃতিক কৰ্মী ডাঃ শুভ্ৰকিংকৰ গোস্বামী আৰু কাৰ্যকৰী সভাপতি মনোৰাম কলিতাই এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অহা ৩ ছেপ্টেম্বৰত নলবাৰীৰ নাট্য মন্দিৰত এটা গাম্ভীৰ্যপূৰ্ণ

